UGC Sponsored National Seminar on

# IMPACT OF MYTHOLOGY ON MODERN ASSAMESE LITERATURE

## আধুনিক অসমীয়া সাহিত্যত পৌৰাণিক আখ্যান/পুৰাকথাৰ প্ৰভাৱ

**Date : $10^{th}$ & $11^{th}$ February, 2017**

Organised by:

## Department of Assamese North Lakhimpur College (Autonomous)

Dist : Lakhimpur, Assam

PIN : 787031

In collaboration with:

Nata Sainik Ali Haidar Natya Mancha

N.T.Road, Lakhimpur, Assam

PIN : 787001

# সবিনয় নিৱেদন

শ্ৰদ্ধাভাজনেষু,

নমস্কাৰ গ্ৰহণ কৰিব। আপোনাক জনাবলৈ পাই আনন্দিত হৈছোঁ যে, বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যত নৰ্থ লখিমপুৰ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অসমীয়া বিভাগে 'আধুনিক অসমীয়া সাহিত্যত পৌৰাণিক আখ্যান/পুৰা-কথাৰ প্ৰভাৱ' শীৰ্ষক বিষয়ৰ এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-সত্ৰ আয়োজন কৰিছে। এই আয়োজনত সহযোগিতা কৰিছে লখিমপুৰৰ অগ্ৰণী নাট্য প্ৰতিষ্ঠান 'নট-সৈনিক'-এ। অহা ইংৰাজী ১০ আৰু ১১ ফেব্ৰুৱাৰী তাৰিখে মহাবিদ্যালয়ৰ সভাগৃহত এই আলোচনা-সত্ৰ অনুষ্ঠিত হ'ব।

উল্লিখিত বিষয়টোৰ প্ৰতি আগ্ৰহ থকা অধ্যাপক-অধ্যাপিকা, গৱেষক, ছাত্ৰ-ছাত্ৰী বা আন ব্যক্তিৰপৰা গৱেষণা-পত্ৰ আহ্বান কৰা হৈছে। এই দিশত আমি আপোনাৰো সহযোগিতা আশা কৰি এই পত্ৰ প্ৰেৰণ কৰিছোঁ। আশাকৰোঁ আপোনাৰ শুভাকাংক্ষা আৰু উপস্থিতিয়ে আমাক কৃতাৰ্থ কৰিব। ইতি।

বিনীত—


**ড° বিমান চন্দ্ৰ চেতিয়া**
অধ্যক্ষ, নৰ্থ লখিমপুৰ মহাবিদ্যালয়
[ফোন ঃ 94350-86753]

**লিলি চেলেং**
বিভাগীয় প্ৰধান, অসমীয়া বিভাগ
নৰ্থ লখিমপুৰ মহাবিদ্যালয়
[ফোন ঃ 94352-77153]

**ড° অৰবিন্দ ৰাজখোৱা**
আলোচনা-সত্ৰৰ সমন্বয়ক
অসমীয়া বিভাগ, ন.ল.ম.
[ফোন ঃ 94351-89174]

**গোলাপ হাজৰিকা**
সভাপতি
নট-সৈনিক
[ফোন ঃ 94353-87814]

**আমানুল হুছেইন**
সম্পাদক
নট-সৈনিক
[ফোন ঃ 98540-21344]

**আলোচনা-সত্ৰৰ মূল বিষয় ঃ** আধুনিক অসমীয়া সাহিত্যত পৌৰাণিক আখ্যান তথা পুৰাকথাক ভিত্তি হিচাপে লৈ বহুতো নাটক, উপন্যাস, গল্প, কবিতা আদি ৰচনা কৰা হৈছে। 'মিথ' এই শব্দই পৌৰাণিক আখ্যানৰ লগতে আন কিংবদন্তিকো নির্দেশ কৰে। নাটকৰ ক্ষেত্ৰত দেখা যায় যে স্বাধীনতাৰ পূৰ্ব্বৰ্তী কালতেই অসমীয়া ভাষাত বহুতো পুৰাকথা আধাৰিত নাটক আৰু কবিতা ৰচনা কৰা হৈছে। ৰমাকান্ত চৌধুৰীৰ 'সীতাহৰণ'ৰযোগেদি এই ধাৰাৰ নাটকৰ আৰম্ভনি ঘটে আৰু আলি হাইদৰৰ 'নৈশযুদ্ধ'ৰ দৰে নাটক পৰ্যন্ত এনে নাট ৰচনাৰ চেষ্টা অব্যাহত আছে। কবিতাৰ ক্ষেত্ৰতো ৰাধা, কৃষ্ণ, উৰ্মিলা, পাৰ্বতী, দ্ৰৌপদী, কুন্তী আদি চৰিত্ৰক উপজীব্য হিচাপে লোৱা পৰিলক্ষিত হৈছে। পুৰাকথাৰ আধাৰত অসমীয়া ভাষাত চুটিগল্পও ৰচিত হৈছে। উপন্যাসৰ ক্ষেত্ৰত দেখা যায় যে স্বাধীনতাৰ পৰৱৰ্তী সময়ত এই ধাৰাটো আৰম্ভ হয় আৰু বৰ্তমানলৈকে প্ৰায় ডেৰকুৰি উপন্যাস ৰচিত হৈছে। তেনেদৰে প্ৰবন্ধ, গীত আদিৰ ক্ষেত্ৰতো পৌৰাণিক বিষয়বস্তুক ভিন্ন ধৰণে বিশ্লেষণ আৰু উপস্থাপন কৰাৰ চেষ্টা দেখা যায়। এই সৃষ্টিসমূহ সম্পৰ্কে আলোচনা সমালোচনা অতি কম। আধুনিক অসমীয়া সাহিত্যৰ প্ৰায় ১৮০ বছৰীয়া ইতিহাসত পুৰাকথাৰ প্ৰয়োগ যথেষ্ট পৰিমানে হৈছে যেতিয়া এই সম্পৰ্কীয় চৰ্চাৰো প্ৰয়োজন আছে।

**উদ্দেশ্য ঃ** 'আধুনিক অসমীয়া সাহিত্যত পৌৰাণিক আখ্যান/পুৰা-কথাৰ প্ৰভাৱ' শীৰ্ষক আলোচনা-সত্ৰৰ লক্ষ্য হ'ব আধুনিক অসমীয়া সাহিত্যত পুৰাকথাক কেনেদৰে উপস্থাপন কৰা হৈছে সেয়া নিৰূপন কৰাটো। সাধাৰণতে পুৰাকথাৰ লগত ধৰ্মৰ প্ৰসঙ্গ সাঙোৰ খাই থাকে। তেনে পৰিপ্ৰেক্ষিতত পুৰাকথাক আধুনিক সাহিত্যৰ বিষয়বস্তু কৰি ল'বলৈ হ'লে ধৰ্মীয় চিন্তাবোৰ আঁতৰ কৰিব লগাও হ'ব পাৰে। তদুপৰি পুৰাকথাৰ আধাৰত প্ৰাগ-ঐতিহাসিক কালৰ সমাজ-সংস্কৃতিৰ বুজ লোৱাৰ বাবে লেখক একোজন গভীৰ চিন্তা আৰু অধ্যয়েনেৰে পৰিপুষ্ট হোৱাৰ দৰকাৰ। আধুনিক অসমীয়া সাহিত্যত এই সমস্যাবোৰ অতিক্ৰম কৰি যিসকল লেখকে সাহিত্য সাধনা কৰিছে তেওঁলোকৰ সৃষ্টিৰ গৱেষণামূলক মূল্যায়নেই এই আলোচনা-সত্ৰৰ মুখ্য উদ্দেশ্য হ'ব।

**সম্ভাব্য ফল ঃ** এই আলোচনা-সত্ৰই আধুনিক অসমীয়া সাহিত্যত পৌৰাণিক আখ্যান/ পুৰাকথাৰ প্ৰয়োগ কিমান ব্যাপক তাৰ এক স্পষ্ট ধাৰণা দিব। পুৰাকথাক আধুনিক কালত লেখকসকলে কেনেদৰে গ্ৰহণ কৰে সেয়াও ইয়াৰপৰা জনা যাব। যিহেতু বিষয়টো বৰ্তমানেও অসমীয়া ভাষাত সণ্ঢালনিকৈ আলোচিত হোৱা নাই সেয়ে এই আলোচনা-সত্ৰৰ জড়িয়তে লাভ কৰা গৱেষণা-পত্ৰসমূহ একত্ৰিত কৰি এখন গ্ৰন্থ প্ৰণয়ন কৰিলে গ্ৰন্থখন এইক্ষেত্ৰত বাটকটীয়া হিচাপে পৰিগণিত হ'ব। সম্প্ৰতি বিশেষ প্ৰসিদ্ধি লাভ কৰা সাহিত্য সমালোচনাৰ পদ্ধতি বা তত্ত্বসমূহৰ আধাৰত পৌৰাণিক আখ্যান বা পুৰাকথা আশ্ৰয়ী সাহিত্যৰ আলোচনা হ'লে ই অসমীয়া সাহিত্য-সমালোচনাক বিশেষ মাত্ৰা প্ৰদান কৰিব।

## উপ বিষয় :

- পৌৰাণিক আখ্যান বা পুৰাকথাৰ আধাৰত ৰচনা কৰা আধুনিক যুগ (১৯২৬-বৰ্তমানলৈ)ৰ যিকোনো ৰচনা বা সাহিত্য-ধাৰা গৱেষণা-পত্ৰৰ বিষয় হ'ব পাৰিব।

  যেনে ঃ

  | | | |
  |---|---|---|
  | ১. কবিতা | ২. নাটক | ৩. চুটিগল্প |
  | ৪. প্ৰবন্ধ | ৬. উপন্যাস | ৭. গীত |
  | ৮. চিত্ৰনাট্য | ৫. গৱেষণামূলক ৰচনা | |

- সংশ্লিষ্ট বৈশিষ্ট্যযুক্ত এক বা একাধিক নিৰ্বাচিত কবিতা, নাটক, উপন্যাস আদি গৱেষণা-পত্ৰৰ বিষয় হ'ব পাৰে।
- লগতে যথাযথ তত্ত্বৰ আধাৰতো নিৰ্বাচিত ৰচনাৰ বিচাৰ হ'ব পাৰে।
- সংশ্লিষ্ট বৈশিষ্ট্যযুক্ত ৰচনাৰ মাজত সাহিত্যিক উপাদান বিচাৰ।
- আধুনিক সাহিত্যত উপস্থাপন কৰা পৌৰাণিক আখ্যানৰ স্বৰূপ আৰু মূল পৌৰাণিক আখ্যানৰ স্বৰূপৰ তুলনামূলক আলোচনা।
- মূল বিষয়ৰ লগত সম্পৰ্ক থকা আন যিকোনো উপ-বিষয়।

## গৱেষণা-পত্ৰ আৰু সাৰাংশ প্ৰেৰণৰ নিয়মাৱলী :

- ভাষিক মাধ্যম ঃ অসমীয়া আৰু ইংৰাজী
- সাৰাংশৰ শব্দৰ সীমা ঃ ৩০০ | গৱেষণা-পত্ৰৰ শব্দৰ সীমা ঃ ২,৫০০
- সাৰাংশ কেৱল ই-মেইল বা চি.ডি.যোগে গ্ৰহণ কৰা হ'ব।
- নিৰ্ধাৰিত তাৰিখৰ ভিতৰত গৱেষণা-পত্ৰও ই-মেইল বা চি.ডি.যোগে প্ৰেৰণ কৰিব লাগিব।
- পঞ্জীয়নৰ সময়ত একোকপি গৱেষণা-পত্ৰ ছপা ৰূপত জমা দিব লাগিব।
- ছফট্‌ৱেৰ ঃ

  ১. অসমীয়াৰ ক্ষেত্ৰত পেজমেকাৰত গীতাঞ্জলি (ৰামধেনু) আখৰ।

  ২. ইংৰাজীৰ ক্ষেত্ৰত এম.এচ. ৱৰ্ডত টাইমছ নিউ ৰোমান আখৰ।
- ই-মেইল কৰোতে বা চি.ডি.ত দিওতে পি.ডি.এফ. বা আন ৰূপলৈ নিনি মূল ফাইলটোকে দিব লাগিব।

**email id: assamesenlc@gmail.com**

- জমা দিয়াৰ অন্তিম তাৰিখ ঃ

  সাৰংশ ঃ ২৫/০১/২০১৭

  গৱেষণা-পত্ৰ ঃ ০৫/০২/২০১৭

## নৰ্থ লখিমপুৰ মহাবিদ্যালয় ঃ এক পৰিচিতি

নৰ্থ লখিমপুৰ মহাবিদ্যালয় অসমৰ প্ৰথমখন স্বায়ত্তশাসিত মহাবিদ্যালয়। ১৯৫২ চনত প্ৰতিষ্ঠা লাভ কৰা এই মহাবিদ্যালয় অসমৰ ঐতিহ্যমণ্ডিত শিক্ষা প্ৰতিষ্ঠানসমূহৰ অন্যতম। বিশেষকৈ উজনি অসমৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ এই মহাবিদ্যালয়ে বৰ্তমান এই ক্ষেত্ৰখন অধিক প্ৰসাৰিত কৰিবলৈ সক্ষম হৈছে। 'নাক'ৰ 'এ' গ্ৰেড আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ 'কলেজ উইথ পটেন্সিয়েল ফৰ এক্সিলেন্স'ৰ দ্বিতীয় পৰ্যায়ৰ স্বীকৃতি পাবলৈ সক্ষম হোৱা এই মহাবিদ্যালয়ে শেহতীয়াকৈ উচ্চশিক্ষাৰ পদ্ধতি আৰু পাঠ্যক্ৰমৰ ক্ষেত্ৰত যথেষ্ট গতিশীলতা আনিছে। বৰ্তমান স্নাতক পৰ্যায়ত বিশটা বিভাগ আছে আৰু ২০১৪ চনৰপৰা পাঁচটা বিভাগত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ হৈছে। মহাবিদ্যালয়খনৰ নিজা এক সাংস্কৃতিক পৰিমণ্ডল আছে আৰু সেয়া অটুত ৰখাৰ ক্ষেত্ৰত মহাবিদ্যালয় পৰিয়ালৰ সদৌটিৰে চেষ্টা আৰু আগ্ৰহ লক্ষ্যণীয়।

### যাতায়াত

নৰ্থ লখিমপুৰ মহাবিদ্যালয়লৈ বাছ, ৰেল আৰু বিমানৰ যাতায়াত ব্যৱস্থা যথেষ্ট সুচল। লখিমপুৰলৈ অসমৰ প্ৰায়বোৰ মূল নগৰৰপৰাই বাছৰ চলাচল আছে। লখিমপুৰৰ মূল বাছ আস্থানৰপৰা মহাবিদ্যালয়লৈ দূৰত্ব মাত্ৰ দুই কিলোমিটাৰ। সেই পথত ৰিক্সা, অটোৰিক্সা আদি সততে পোৱা যায়। গুৱাহাটী আৰু জোনাইৰপৰা লখিমপুৰলৈ নিয়মীয়াকৈ ৰেলৰ চলাচল আছে। লখিমপুৰ ৰেলৱে ষ্টেছনৰপৰা মহাবিদ্যালয়লৈ দূৰত্ব চাৰি কিলোমিটাৰ। এই পথতো ৰিক্সা, অটোৰিক্সা পোৱা যায়। লখিমপুৰৰ লীলাবাৰী বিমান ঘাটিলৈ সোম, বুধ, শুকুৰ আৰু দেওবাৰে গুৱাহাটী আৰু কলকাতাৰপৰা বিমান আহে আৰু যায়। মহাবিদ্যালয়লৈ প্ৰায় আঠ কিলোমিটাৰ দূৰত্বৰ এই বিমান ঘাটিৰপৰা অটো আৰু টেক্সী পোৱা যায়।

### আলোচনা-সত্ৰৰ কাৰ্যসূচী

| | | |
|---|---|---|
| ১০/০২/২০১৭ | ৮.৩০ - ৯.৩০ ঃ | পঞ্জীয়ন |
| | ৯.৩০ - ১০.০০ ঃ | পুৱাৰ আহাৰ |
| | ১০.০০ - ১১.৩০ ঃ | উদ্বোধনী অনুষ্ঠান |
| | ১১.৩০ - ২.০০ ঃ | প্ৰথম কাৰিকৰী বৈঠক |
| | ২.০০ - ২-৪৫ ঃ | দুপৰীয়াৰ আহাৰ |
| | ২.৪৫ - ৪.৩০ ঃ | দ্বিতীয় কাৰিকৰী বৈঠক |
| ১১/০২/২০১৭ | ৮.৩০ - ৯.৩০ ঃ | পুৱাৰ আহাৰ |
| | ৯.৩০ - ১১.৩০ ঃ | প্ৰথম কাৰিকৰী বৈঠক |
| | ১১.৩০ - ২.০০ ঃ | দ্বিতীয় কাৰিকৰী বৈঠক |
| | ২.০০ - ২-৪৫ ঃ | দুপৰীয়াৰ আহাৰ |
| | ২.৪৫ - ৪.৩০ ঃ | সামৰণি অনুষ্ঠান |

UGC Sponsored National Seminar on
Impact of Mythology on Modern
Assamese Literature
Organised by: Department of Assamese
North Lakhimpur College (Autonomous)

## REGISTRATION FORM

1. Name of the participant (in block letters) :

.................................................................................

.................................................................................

.................................................................................

2. Designation :

.................................................................................

.................................................................................

3. Institutional Address :

.................................................................................

.................................................................................

.................................................................................

.................................................................................

4. email id :

.................................................................................

.................................................................................

5. Contact No :

.................................................................................

.................................................................................

6. Accomodation Required : Yes / No (tick)

Date :

Place :

Signature of Participant

# অতিৰিক্ত তথ্য

১. গৱেষণা-পত্ৰ উপস্থাপনৰ বাবে কমেও ১০ মিনিট সময় প্ৰদান কৰাৰ কথা বিবেচনা কৰা হৈছে। অতিৰিক্তভাৱে আলোচনাৰ বাবে সময় থাকিব। বিষয় সাপেক্ষে এয়া বৃদ্ধি কৰাও হ'ব পাৰে।

২. গৱেষণা-পত্ৰ উত্থাপনৰ বাবে সমল হিচাপে দৃশ্য-শ্ৰব্য মাধ্যমৰ সুবিধা থাকিব। ইচ্ছুকসকলে প্ৰজেক্টৰৰ বাবে নিজৰ লেপটপ ব্যৱহাৰ কৰিব পাৰিব।

৩. যিসকল দূৰণিবটীয়া অংশগ্ৰহণকাৰীক থকা-খোৱাৰ সুবিধাৰ দৰকাৰ হ'ব, তেওঁলোকে আগতীয়াকৈ যোগাযোগ কৰিব লাগিব। তেনেক্ষেত্ৰত আয়োজক সমিতিয়ে যোগাযোগ কৰি দিব, কিন্তু খৰছ সংশ্লিষ্টসকলে কৰিব লাগিব।

৪. **Registration Fee**
Participation with Paper : ₹ 500
Participation without Paper : ₹ 300
Students & Research Scholar : ₹ 300

৫. গৱেষণা-পত্ৰৰ সংকলন প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে। এই বিষয়টোত যাতে এখন গুৰুত্বপূৰ্ণ গৈ উঠেগৈ সেই আশা কৰা হৈছে। সেয়ে সকলোকে অনুৰোধ জনোৱা হৈছে যাতে আলোচনা-সত্ৰ অনুষ্ঠিত হোৱাৰ দহ দিনৰ ভিতৰত প্ৰয়োজনীয় সংশোধনীসহ গৱেষণা-পত্ৰ জমা দিয়ে। এনে সকলো গৱেষণা-পত্ৰ 'ছফ্‌ট্' ৰূপত লোৱা হ'ব।

৬. পৰৱৰ্তী সময়ৰ যোগাযোগৰ বাবে সকলো অংশগ্ৰহণকাৰীকে শুদ্ধকৈ তলৰ তথ্যসমূহ দিবলৈ অনুৰোধ জনাইছোঁ।
(ক) **email id**
(খ) **Mobile Phone Number**
(গ) **WhatsApp Number**